AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## ভাৱবাদী সকলক পৰীক্ষা কৰা

১ম ৰাজাৱলি ২২:১-৪০

## কাহিনী...




**ইস্ৰায়েলৰ** দুষ্ট অধাৰ্ম্মিক ৰজা আহাবে অৰামীয়াহতৰ (চিৰিয়াৰ লোকসকল) পৰা ৰামোত-গিলিয়দ নগৰ খনক পুনৰ অধিকাৰ কৰিবলৈ বিচাৰিছিল। কিন্তু তেওঁক সহায়ৰ প্ৰয়োজন হৈছিল, গতিকে তেওঁ যিহুদাৰ ভাল ৰজা যিহোচাফটক তেওঁবিলাকৰ দুয়োৰে শত্ৰুৰ বিপক্ষে পতা ৰণ-নীতিত যোগদান কৰিবলৈ অনুৰোধ কৰিছিল। যিহোচাফটে কৈছিল তেৱোঁ আহাবৰ সৈতে যুদ্ধত যোগ দিবলৈ ইচ্ছুক, কিন্তু তেওঁ কৈছিল যে এই ক্ষেত্ৰত তেওঁলোকে প্ৰথমতে ঈশ্বৰৰ পৰা পৰামৰ্শ বিচৰা উচিত।

আহাবে পৌত্তলিক বাল-দেৱতাক পূজা-পাতল কৰিবলৈকে কেইবছৰমান আগতে ঈশ্বৰ যিহোৱাক ত্যাগ কৰিছিল, গতিকে তেওঁ ৪০০ জন ভাৰাতীয়া ভাৱবাদী সকলক তেওঁলোক দুয়োজন ৰজাৰ ওচৰলৈ আহিবলৈ আদেশ দিছিল। নাটকীয় অভিনয়েৰে, এই মিছা ভাৱবাদী বিলাকে এইদৰে কৈছিল, যোৱা, অৰামীয়াহঁতৰ সৈতে যুদ্ধ কৰাগৈ, আৰু তোমালোকে বিজয়ী হবা! কিন্তু যিহোচাফটে ঈশ্বৰৰ এজন প্ৰকৃত ভাৱবাদীৰ পৰা এই কথা শুনিবলৈ ইচ্ছা কৰিছিল। তেতিয়া আহাবে কৈছিল যে ঈশ্বৰ যিহোৱাৰ এজন ভাৱবাদীক ইয়াত আহিবলৈ মতা হোৱা নাই আৰু তেওঁৰ নাম হৈছে মীখায়া, অলপ ৰৈ তেওঁ পুনৰ কৈছিল, কিন্তু তেওঁক মই ঘিণ কৰোঁ, কিয়নো তেওঁ মোৰ বিষয়ে মঙ্গলৰ ভাববাণী প্ৰচাৰ নকৰে, কেৱল অমঙ্গলহে প্ৰচাৰ কৰে (৮পদ)।

যিহোচাফটৰ নেৰানেপেৰা খাটনিত, আহাবে অনিচ্ছাকৃত ভাৱে মীখায়াক আনিবলৈ এজন দাস প্ৰেৰণ কৰিছিল। সেই সতসাহসী ভাৱবাদী গৰাকী আহিছিল আৰু এটা অতি অপ্ৰিয় ভৱিষ্যবাণী কৰিছিল। তেওঁ আহাবক কৈছিল যে অৰামীয়া সকলৰ লগত হোৱা যুদ্ধত তেওঁৰ মৃত্যু হব। এতিয়া আহাব সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত এটা কঠিন পৰিস্হিতিৰ সন্মুখীন হৈছিল। মঙ্গলৰ কথা কোৱা ৪০০ জন ভাৱবাদীৰ কথা শুনিব নে, নাইবা ঈশ্বৰৰ এজন অকলশৰীয়া ভাৱবাদীৰ কথা লব

অবুজন আৰু আকোৰগোঁজ আহাব ৰজাই যিহোচাফটক মীখায়া ভাৱবাদীৰ সতৰ্কবোৰক অমান্য কৰিবলৈ আৰু তেওঁৰ সৈতে যুদ্ধত ভাগ লবলৈ সৈমান কৰিছিল। তেওঁ ভাবিছিল সম্পূৰ্ণ ৰক্ষা কৱচ পৰিধান কৰাৰ দ্বাৰাই আৰু সমুখ সমৰত ভাগ নোলোৱাৰ দ্বাৰাই তেওঁ ঈশ্বৰক ফেৰ মাৰিব পাৰিব। ঈশ্বৰৰ বাক্যৰ পৰা যে কোনেও কেতিয়াও সাৰি নাযায় তাক কিন্তু আহাবে খুওব পলমকৈহে শিকিব পাৰিছিল। যুদ্ধ চলি থকা সময়তে বতাহত উড়ি অহা এপাত কাঁড় আহাব ৰজাৰ কৱচ আৰু উদৰ-ৰক্ষাৰ জোৰাত বিন্ধিছিলহি, আৰু অত্যাধিক ৰক্তপাতৰ ফলত তেওঁৰ ৰথতে তেওঁ মৃত্যু বৰণ কৰিছিল।

যীচুৱে সতৰ্ক কৰিছিল যে অন্তিম দিনবিলাকত বহুতো মিছা বা ভাঁৰিকোৱা ভাৱবাদী ওলাব (মথি ২৪:১১)। গতিকে নকল বা মিছা বোৰৰ পৰা সত্যটোক কেনেকৈ চিনাক্ত কৰিব পাৰি তাক আমি জানিবই লাগিব। এইটো এটা জীৱন আৰু মৃত্যুৰ বিষয় হব পাৰে!



পাঠ নং-২২

# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰণ কৰক।*

## ১. ঈশ্বৰে কাৰ আগত তেওঁৰ অন্তিম পৰিকল্পনাবোৰ প্ৰকাশ কৰে?

**আমোচ ৩:৭** *অৱশ্যে প্ৰভু যিহোৱাই নিজ দাস* ____________________ *গুৰিত নিজৰ নিগূঢ় মন্ত্ৰণা প্ৰকাশ নকৰাকৈ একোকে নকৰে।*

## ২. অন্তিম দিনবিলাকত সত্য আৰু মিছা বা ভাঁৰিকোৱা ভাৱবাদী উভয়েই থাকিব নে?

**মথি ২৪:১১** *আৰু অনেক* ____________________ *ভাৱবাদী ওলাই, অনেকক ভুলাব।*

**পাচনিকৰ্ম ২:১৭** *ঈশ্বৰে কৈছে, শেষৰ দিনা, গোটেই মনুষ্য-জাতিৰ ওপৰত মোৰ আত্মা বাকি দিম। তাতে তোমালোকৰ* ____________________ ____________________ ____________________ *প্ৰচাৰ কৰিব।*

**টোকা:** হয়, অন্তিম সময়ত সত্য আৰু ভাঁৰিকোৱা ভাৱবাদী উভয়েই থাকিব। শাস্ত্ৰবাক্যই এইটোকো শিকাইছে যে ভাৱবাদী পুৰুষ নাইবা মহিলা দুয়ো হব পাৰে।

## ৩. কি প্ৰকাৰৰ ভাঁৰিকোৱা ভাৱবাদীবিলাকক বাইবেলত বিশেষৰূপে দোষী সাব্যস্ত কৰা হৈছে?

**ক.** *যিবিলাকে যাদুবিদ্যা, গুণ মন্ত্ৰ ব্যৱহাৰ কৰে (দ্বিতীয় বিবৰণ ১৮:১০)।*

**খ.** *যিবিলাকে মঙ্গল চায় (দ্বিতীয় বিবৰণ ১৮:১০)।*

**গ.** *যিবিলাকে ভৱিষ্যত চায় (দ্বিতীয় বিবৰণ ১৮:১০)।*

**ঘ.** *এজন মায়াবী (দ্বিতীয় বিবৰণ ১৮:১০)।*

**ঙ.** *যিবিলাকে মন্ত্ৰমাতে (দ্বিতীয় বিবৰণ ১৮:১১)।*

**চ.** *মৰা মানুহৰ আত্মাৰ পৰামৰ্শ লওঁতা (দ্বিতীয় বিবৰণ ১৮:১১)।*

**ছ.** *এজন ভূত পোহোঁতা (দ্বিতীয় বিবৰণ ১৮:১১)।*

**জ.** *যি জনে মৰা মানুহক আৱাহন কৰে (দ্বিতীয় বিবৰণ ১৮:১১)।*

**টোকা:** দ্বিতীয় বিবৰণ ১৮:৯-১২ পদবিলাকত কোৱা হৈছে যে এই সকলোবোৰ কাৰ্য্য যিবিলাকে কৰে, তেওঁবিলাক সকলোৱেই ঈশ্বৰ যিহোৱাৰ দৃষ্টিত ঘিণলগীয়া। এইটো কাৰণতে, খ্ৰীষ্টিয়ান বিলাকে তেওঁবিলাকৰ সৈতে সম্পৰ্ক ৰখা উচিত নহয়।

## ৪. অন্তিম সময়ৰ মন্ডলিটোৰ ভাবোক্তি প্ৰচাৰ কৰাৰ বৰ থাকিব নে?

**প্ৰকাশিতবাক্য ১২:১৭** *তাতে নাগে সেই তিৰোতালৈ খং উঠি, তেওঁৰ বংশৰ অৱশিষ্ট লোক, অৰ্থাত ঈশ্বৰৰ আজ্ঞা পালন কৰা, আৰু ____________________ ____________________ ধাৰণ কৰাবিলাকে সৈতে যুদ্ধ কৰিবলৈ গল।*

**প্ৰকাশিকবাক্য ১৯:১০** *মই তোমাৰ সহদাস, আৰু যীচুৰ সাক্ষ্য ধাৰণ কৰা তোমাৰ ভাইবিলাকৰো সহদাস; ঈশ্বৰকহে প্ৰণিপাত কৰা; কিয়নো যীচুৰ সাক্ষ্ই ____________________ ____________________ ।*

**টোকা:** আমি ১৬ নম্বৰ পাঠত শিকিলো যে, ঈশ্বৰৰ অৱশিষ্ট মন্ডলিটোৰ লগত “যীচুৰ সাক্ষ্য থাকিব”, অৰ্থাত ভাৱবাণীৰ আত্মা থাকিব। প্ৰকাশিতবাক্য ১৯:১০ আৰু ২২:৯ তুলনা কৰিলে আমি দেখা পাও যে স্বৰ্গদূত গৰাকীয়ে, “ভাৱবাদী হিচাপে” আৰু “যিবিলাকে এই পুস্তকখনৰ বাক্যবোৰক পালন কৰে” তেনেলোকৰ যিবিলাক লোকৰ লগত ভাৱবাণীৰ আত্মা থাকে তেনেকুৱা লোকক যোহনৰ ভাইবিলাক বুলি কৈছে। ১ম কৰিন্থীয়া ১:৫-৮, পদবিলাকত, পৌলে লিখিছে যে সেই মন্ডলিটোৰ যীচুৰ দ্বিতীয় আগমনলৈকে, “যীচুৰ সাক্ষ্য” লগত থাকিব আৰু “কোনা বৰৰ নাটনি” নহব। গতিকে বাস্তৱিকতে, ঈশ্বৰৰ অন্তিম মন্ডলিটোৰ লগত ভাবোক্তি প্ৰচাৰৰ বৰ থাকিব।

## ৫. এজন প্ৰকৃত ভাৱবাদীৰ লগত ঈশ্বৰে কি উপায়েৰে কথা কয়?

**গণনাপুস্তক ১২:৬, ৮** *তোমালোকৰ মাজত যদি কোনো ভাৱবাদী হয়, তেন্তে মই যিহোৱাই তেওঁৰ আগত কোনো ____________________ দ্বাৰাই নিজকে চিনাকি দিম, নাইবা ____________________ তেওঁৰ লগত কথা হম ... মুখা-মুখি হৈ স্পষ্টকৈ কথা হওঁ।*

**জখৰীয়া ৪:১** *পাছে মোৰে সৈতে কথা হোৱা ____________________ আকৌ আহি, টোপনিৰ পৰা মানুহ জগোৱাৰ দৰে মোক জগালে;।*

**টোকা:** ঈশ্বৰ যিহোৱাই তেওঁৰ ভাৱবাদীবিলাকৰ সৈতে দৰ্শনৰ দ্বাৰাই, সপোনত, মুখা-মুখিকৈ আৰু দূতবিলাকৰ যোগেদি কথা কয়। ক্ৰিষ্টল বল, হাতৰ ৰেখা চোৱা, বুজিব নোৱাৰা বুবু-বাবা কথা কোৱা, নক্ষত্ৰ চোৱা, মৰা মানুহৰ সৈতে কথাবতৰা পতা বুলি দাবী কৰা ইত্যাদিবোৰ এজন ভাৱবাদীৰ সৈতে যোগাযোগ কৰা ঈশ্বৰৰ পদ্ধতি নহয়।

## ৬. আচৰিত কাৰ্য্যবোৰ এজন প্ৰকৃত ভাৱবাদী হোৱাৰ নিশ্চিত প্ৰমান নে?

**প্ৰকাশিতবাক্য ১৬:১৪** *সিহঁত ____________________ আত্মা, আচৰিত ____________________ দেখুৱাওঁতা সিহঁতে সৰ্ব্বশক্তিমান ঈশ্বৰৰ সেই মহা-দিনৰ যুদ্ধলৈ গোটেই জগতৰ ৰজা সকলক গোট খুৱাবৰ কাৰনে তেওঁবিলাকৰ ওচৰলৈ ওলাই যায়।*

**টোকা:** কোনো আচৰিত কাৰ্য্যবোৰে এইটো প্ৰমান নকৰে যে, কোনোবা এজন ব্যক্তি এজন প্ৰকৃত ভাৱবাদী হয় বুলি। তেওঁবিলাকে মাত্ৰ এ.টা কথা প্ৰমান কৰে যে- এইবোৰ অলৌকিক শক্তি। কিন্তু অলৌকিক শক্তি ঈশ্বৰৰ পৰাও হব পাৰে নাইবা চয়তানৰ পৰাও হব পাৰে। সেই কাৰনে প্ৰভুৱে আমাক এইবুলি কৈছে: “হে প্ৰিয়বিলাক, তোমালোকে সকলো আত্মাত বিশ্বাস নকৰিবা; কিন্তু সেইবিলাক ঈশ্বৰৰ হয় নে নহয়, তাক জানিবৰ কাৰনে, আত্মাবিলাকৰ পৰীক্ষা কৰা; কাৰন অনেক ভাঁৰি-কোৱা ভাৱবাদী জগতত ওলাল” (১ম যোহন ৪:১)।

## ৭. এজন ভাৱবাদীৰ আটাইতকৈ প্ৰয়োজনীয় পৰীক্ষাটো কি বাৰু?

**যিচয়া ৮:২০** ______________________ *(বিধান) আৰু* ______________________ *সোধা এই বাক্য অনুসাৰে যদি তেওঁবিলাকে নকয়, তেন্তে নিশ্চয়ে তেওঁবিলাকত পোহৰ নাই (কেজিভি)।*

**টোকা:** "ব্যৱস্থা আৰু সাক্ষ্য" এই খন্ডবাক্যটো হৈছে পুৰনি নিয়ম "বাইবেলৰ" এটা বিশেষ উক্তি। অন্য ভাষাত কবলৈ হলে, কোনোবাই ঈশ্বৰৰ পৰা এটা ভৱিষ্যবানী লাভ কৰা বুলি দাবী কৰিলে, তেওঁৰ বানীটোক বাইবেলৰ সৈতে তুলনা কৰিবই লাগিব। বাইবেলৰ দ্বাৰাই ভাৱবাদী জনক পৰীক্ষা কৰিবই লাগিব, আৰু ভাৱবাদী জনৰ দ্বাৰাই বাইবেল নহয়। যিকোনো প্ৰকৃত ভাৱবাদীয়েই সদায় বাইবেলৰ এশ শতাংশ মানি লব। এয়াই হৈছে প্ৰকৃত পৰীক্ষা।

## ৮. এজন ভাৱবাদীক পৰীক্ষা কৰাৰ দ্বিতীয়টো পৰীক্ষা কি?

**১ম যোহন ৪:২** *তোমালোকে ঈশ্বৰৰ আত্মাক ইয়াৰে জানিব পাৰা;* ______________________ ______________________ *যে মাংশত আহিল, ইয়াক যি সকলো আত্মাই স্বীকাৰ কৰে, সেই সকলো আত্মা ঈশ্বৰৰ।*

**টোকা:** ঈশ্বৰৰ এজন ভাৱবাদীয়ে যীচু খ্ৰীষ্ট যে মানৱ ৰূপী ঈশ্বৰ এই সত্যতাটোক মানি লবই লাগিব আৰু সেইদৰে ইয়াক শিকাব লাগিব। প্ৰকৃত ভাৱবাদী বিলাকে নিজকে গৌৰৱ প্ৰশংসা নকৰি যীচু খ্ৰীষ্টকহে কৰিব। সৰহ সংখ্যক ভাৰিকোৱা ভাৱবাদীয়ে মানুহবিলাকৰ মনবোৰক ঈশ্বৰৰ বাক্যৰ পৰা ধ্যান আতৰাই সিহঁতৰ নিজৰ নিজৰ মত কথাৰ প্ৰতিহে আকৰ্ষিত কৰিবলৈ বিচাৰে।

## ৯. এজন ভাৱবাদীক পৰীক্ষা কৰাৰ তৃতীয়টো পৰীক্ষা কি?

**মথি ৭:১৬** *সিহঁতৰ* ______________________ *দ্বাৰাই তোমালোকে সিহঁতক চিনিবা।*

**টোকা:** ইয়াৰ অৰ্থ এইটো নহয় যে ভাৱবাদী সম্পূৰ্ণ সিদ্ধ হব। ঈশ্বৰৰ ভাৱবাদী বিলাকৰো সদায় এটা নহয় এটা ভুল আছিল। যিকি নহওক, কিন্তু প্ৰকৃত ভাৱবাদীয়ে কি শিকাই আৰু তেওঁবিলাকে কিদৰে জীৱন-নিৰ্ব্বাস কৰে তাৰ মাজত সামজস্য থাকিবই লাগিব।

## ১০. এজন ভাৱবাদীক পৰীক্ষা কৰাৰ চতুৰ্থটো পৰীক্ষাটো কি?

**যিৰিমিয়া ২৮:৯** *সেই ভাৱবাদীৰ বাক্য* ______________________, *যিহোৱাই সচাকৈ তেওঁক পঠোৱা হয় বুলি* ______________________ *যায়।*

**টোকা:** এজন প্ৰকৃত ভাৱবাদীয়ে মিছা ভৱিষ্যবানী নকৰিব। যদি এজন ভাৱবাদী ঈশ্বৰৰ পৰা হয়, যি কথা বা ঘটনা হব বুলি তেওঁ বা তাই কয় সি ফলিয়াবই। তথাপিও, কোৱাৰ দৰে আখৰে আখৰে ফলিওৱা কথাটো অকলেই কিন্তু এজন ব্যক্তিক স্বয়ংক্ৰিয়ভাৱে এজন প্ৰকৃত ভাৱবাদী হিচাপে যোগ্য কৰি নুতুলে। দ্বিতীয় বিবৰণ ১৩:১-৩ পদবোৰে সতৰ্ক কৰি দিছে যে মিছা ভাৱবাদীবিলাকে অদ্ভূত লক্ষণ দেখুওৱাব পাৰে যি পিছত ফলিয়াই আৰু তাৰ পাছত লোকবিলাকক অন্য দেৱতাবোৰক মনাবলৈ সিহঁতৰ প্ৰভাৱ প্ৰয়োগ কৰে। বাইবেলৰ মতে এজন প্ৰকৃত ভাৱবাদীয়ে লোকবিলাকক সদায় ঈশ্বৰ যিহোৱাক সেৱা আৰধনা কৰিবলৈ আগবঢ়াই নিয়ে।

**১১. ভাবোক্তি প্ৰচাৰৰ ক্ষেত্ৰত পৌলে কি কি তিনিটা বিষয়ত আদেশ কৰিছে?**

**১ম থিচলনিকীয়া ৫:২০, ২১** *ভাৱবানী হেয়জ্ঞান ____________________ । সকলো বিষয়ৰ ____________________ কৰি, যি ভাল তাকে ____________________ ৰাখা।*

**টোকা:** পৌলে কৈছে যে আমি ভাবোক্তি প্ৰচাৰ কৰিব পৰা বৰক হেয়জ্ঞান বা প্ৰত্যাখ্যান কৰিব নালাগে। বৰঞ্চ, আমি শাস্ত্ৰবাক্যৰ দ্বাৰাই এজন ভাৱবাদীৰ বানীক পৰীক্ষা কৰা উচিত আৰু যিটো উত্তম আৰু সত্য তাক পালন কৰিব লাগে।

**১২. এজন প্ৰকৃত ভাৱবাদীৰ বচনক যেতিয়া আমি প্ৰত্যাখ্যান কৰোঁ, তেতিয়া কাৰ পৰামৰ্শক আমি প্ৰত্যাখ্যান কৰা হয়?**

**লূক ৭:২৮-৩০** *যোহনতকৈ মহান কোনো নাই ... সকলো মানুহ আৰু কৰতোলাবিলাকে কথা শুনি, যোহন বাপ্তিস্মৰে বাপ্তাইজিত হৈ, ঈশ্বৰক ন্যায়ৱান বুলি মানিলে ... কিন্তু ফৰীচী আৰু বিধান-পন্ডিতবিলাকে ... ঈশ্বৰৰ ____________________ নিজৰ অৰ্থে ____________________ কৰিলে।*

**টোকা:** এজন প্ৰকৃত ভাৱবাদীৰ বাক্যবোৰক যেতিয়া আমি প্ৰত্যাখ্যান কৰোঁ, তেতিয়া আমি ঈশ্বৰৰ পৰামৰ্শকেই প্ৰত্যাখ্যান কৰোঁ। এয়া এক ভক্তিভাৱাপূৰ্ণ ভাৱনা! ঈশ্বৰৰ ভাৱবাদীবিলাকৰ বাক্যবোৰ শুনিবলৈ বাইবেলে আমালোকক কৈছে আৰু প্ৰতিজ্ঞা কৰিছে যে এজন প্ৰকৃত ভাৱবাদীৰ পৰামৰ্শক যিবিলাকে শুনি পালন কৰে তেওঁবিলাকে কৃতকাৰ্য্য হব।

**২য় বংশাৱলি ২০:২০** *তোমালোকে নিজ ঈশ্বৰ যিহোৱাত বিশ্বাস কৰা, তাতে তোমালোক সুস্হিৰ হবা; আৰু তেওঁৰ ভাৱবাদীবিলাকত বিশ্বাস কৰা, তাতে তোমালোক কৃতকাৰ্য্য হবা।*

# আপোনাৰ সহাৰি

*যিহেতু ঈশ্বৰে ভাৱবাদীবিলাকৰ যোগেদি এতিয়াও কথা কৈ আছে আৰু যিহেতু ভাৱবাদীবিলাকৰ কথাবোৰ আপোনাৰ নিমিত্তে “যীচুৰ ব্যক্তিগত সাক্ষ্য”, গতিকে আধুনিক ভাৱবাদীবিলাকক আপুনি বাইবেলৰ দ্বাৰাই পৰীক্ষা কৰি চাবলৈ আৰু যিবিলাকৰ পৰামৰ্শবোৰ শাস্ত্ৰসন্মত সেইবিলাকক মানি চলিবলৈ আপুনি ইচ্ছা কৰিব নে?*

***উত্তৰ:*** ____________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## আধুনিক দিনৰ ভাৱবাদী

১৮৪৪ চনৰ ডিচেম্বৰ মাহত, যুৱতী মেথডিষ্ট মহিলাৰ এটা দলে পোৰ্টলেন্ডৰ মেইনেত, আঠুকাঢ়ি প্ৰাৰ্থনা কৰি আছিল, যেতিয়া ইলেন হাৰ্মন- এজনী ১৭ বছৰীয়া অতি দুৰ্ব্বল স্বাস্হ্যৰ ছোৱালীয়ে- তাইৰ সৰ্ব্বপ্ৰথম দৰ্শনটো লাভ কৰিছিল। যেতিয়া ইলেনে (যি গৰাকী ছোৱালী জেমচ হুৱাইট নামৰ এজন যুৱ-পৰিচৰ্য্যাকাৰীৰ সৈতে বিবাহ-পাশত বন্দী হোৱাৰ পাছত ইলেন হুৱাইট নামেৰে পৰিচিত হৈছিল) ঈশ্বৰে তাইৰ আগত কি প্ৰকাশ কৰিছিল সেইবোৰ লোকসমুহৰ আগত কৈছিল, তাই একেলেথেৰিয়ে ৭০ বছৰ কাল ধৰি ১৯১৫ চনত তাই নমৰালৈকে দৰ্শন আৰু সপোন লাভ কৰি গৈ আছিল।

বাইবেলৰ প্ৰকৃত ভাৱবাদীবিলাকৰ ক্ষেত্ৰত ঘটাৰ দৰে, বিশেষ কিছুমান অলৌকিক শাৰীৰিক পৰিঘটনা তাইৰ দৰ্শন লাভ কৰাৰ কালচোৱাত ইলেন হুৱাইটৰ সৈতে ঘটিছিল। দানিয়েলৰ নিচিনাকৈ, তাই দৰ্শন লাভ কৰাৰ সময়ত উহাস লোৱা নাছিল আৰু প্ৰায়েই কিছুকালৰ নিমিত্তে শাৰীৰিক শক্তি হেৰুৱাইছিল (দানিয়েল ১০:৮, ১৭)। তাইৰ কিছুমান দৰ্শন চাৰি ঘন্টা সময় ধৰি চলি আছিল, আৰু এই গোটেই সময় চোৱাত তাই কিন্তু উহাস লোৱা নাছিল। যি ডাক্তৰ সকলে তাই দৰ্শন পোৱা সময়ত তাইক পৰীক্ষা কৰিছিল এই সত্যতাৰ প্ৰমান পত্ৰ দিছিল।

আনবিলাক সময়ত, তাইকো অলৌকিক শক্তি প্ৰদান কৰা হৈছিল (দানিয়েল ১০:১৮, ১৯)। যদিও ইলেনৰ দেহৰ ওজন মাত্ৰ ৯৫ পাউন্ড আছিল, চক্ষু-সাক্ষী বিলাকে দেখিছিল, দৰ্শনৰ সময়ত তাই ৩০ মিনিট সময় ধৰি দীঘল কৰি ৰখা তাইৰ হাতেৰে পৰিয়ালৰ ১৭ পাউন্ড ওজনৰ বাইবেলখন দাঙি ধৰি ৰাখিছিল। এইবোৰে আৰু আনবোৰ শাৰীৰিক পৰিঘটনাই দেখুওৱাই যে এজন ভাৱবাদীৰ অভিজ্ঞতাৰ ক্ষেত্ৰত কিছুমান অলৌকিকতা থাকে। তথাপিও, এইবোৰে আমাক নকয় যে এই ভাৱবাদী গৰাকী ঈশ্বৰৰ পৰা নে চয়তানৰ পৰা আহিছে। এক অলৌকিক শক্তিৰে ভাবোক্তি প্ৰচাৰৰ বৰ লাভ কৰা বুলি দাবী কৰা লোকৰ যেতিয়া সন্মুখীন হোৱা যায়, খ্ৰীষ্টিয়াবিলাকে তাক নিশ্চিতৰূপে সেই দাবী সত্য হয় নে নহয় তাক বাইবেলৰ দ্বাৰাই পৰীক্ষা কৰি চোৱা উচিত।

## বাইবেলৰ চাৰিটা পৰীক্ষাৰ প্ৰয়োগ

আহক আমি চাওহক, এজন প্ৰকৃত ভাৱবাদীৰ ক্ষেত্ৰত থকা বাইবেলৰ চাৰিটা পৰীক্ষা ইলেন হুৱাইটৰ জীৱন আৰু পৰিচৰ্য্যাত খাতে নেখাতে!

### প্ৰথম পৰীক্ষা- শাস্ত্ৰবাক্যৰ সৈতে পৰস্পৰ ঐক্যতা

ইলেন হুৱাইটে লিখা যিকোনো এখন কিতাপ পঢ়ি চাব, আৰু আপুনি আৱিস্কাৰ কৰিব যে ই আপোনাক একেলেখেৰিয়ে বাইবেলৰ কাষলৈ চলাই লৈ গৈ আছে আৰু ইয়াৰ ভিতৰত থকা কথাবোৰ সম্পূৰ্ণভাৱে শাস্ত্ৰবাক্যৰ সৈতে সহমতত আছে। তথাপিও, তাই তাইৰ লিখনি সমুহক বাইবেলৰ এটা অতিৰিক্ত অংশ বুলি গণ্য কৰা নাছিল। ঈশ্বৰৰ লোকসকলৰ মন বাইবেলৰ প্ৰতি অধিক মনোযোগ বঢ়োৱা আৰু সত্যতাৰ একমাত্ৰ উতস হিচাপে তেওঁবিলাকক বাইবেলৰ ওচৰলৈ পুনৰ উভতাই অনাই আছিল এইবোৰৰ একমাত্ৰ উদ্দেশ্য। বিশ্বাসৰ একমাত্ৰ নিয়ম-নীতি যে বাইবেলহে সেই ক্ষেত্ৰত ইলেন হুৱাইটৰ ডাঠিকৈ কোৱা ঘোষণাটিলৈ মন কৰক: "আমাৰ সময়ত তেওঁবিলাকৰ ধৰ্ম্মতত্বৰোৰৰ পৰা আৰু বিধি-বিধান সমুহৰ পৰা আতৰি অহাৰ এটা বহল ব্যৱধান সৃষ্টি হৈছে আৰু মহান প্ৰটেষ্টান্ট মূলনীতিলৈ ঘুৰি অহাৰ এক প্ৰত্যাৱৰ্ত্তনৰ প্ৰয়োজন হৈছে –বিশ্বাস আৰু কৰ্ত্তব্যৰ নিয়ম-নীতি হিচাপে বাইবেল, আৰু একমাত্ৰ বাইবেলৰ ওচৰলৈ ঘুৰি অহা" [The Great Controversy (Mountain View, CA: Pacific Press, 1950) p,205, 205].

তাই এইবুলিও লিখিছিলঃ "লিখিত সাক্ষ্যবোৰ নতুন পোহৰ দিবলৈ নহয়, কিন্তু ইতিমধ্যে প্ৰকাশ কৰা অনুপ্ৰেৰণাদায়ক সত্যতাবোৰ হৃদয়ৰ ওপৰত সজীৱৰূপে ছাপ পেলাবলৈহে। ঈশ্বৰৰ প্ৰতি আৰু সহ-মানৱৰ প্ৰতি মানুহৰ যি কৰ্তব্য তাক ঈশ্বৰৰ বাক্যত অতি স্পষ্টকৈ ভাগ কৰি দেখুওৱা হৈছে; তথাপিও কিন্তু আপোনালোকৰ খুওব কমেইহে প্ৰদান কৰা সেই পোহৰৰ প্ৰতি বাধ্য। অতিৰিক্ত সত্যতা অনা হোৱা নাই; কিন্তু ইতিমধ্যে প্ৰদান কৰা মহান সত্যতাবোৰক ঈশ্বৰে সৰলিকৰণ কৰা সাক্ষ্যবোৰৰ যোগেদি আৰু তেওঁৰ নিজৰ মনোনীত উপায়েৰে লোকসমূহৰ আগত সেইবোৰ দাঙি ধৰা হৈছে যাতে লোকসমূহ জাগৃত হয় আৰু সেইবোৰৰ সৈতে মনত সাঁচ বহুৱাব পাৰি, আৰু এইদৰে যাতে সকলোৱে অজুহাত দেখুওৱাব পৰা অৱস্থাত নেথাকে" [Testimonies for the Church (Mountain View, CA: Pacific Press, 1949),vol.2,p,605]

ইলেন হুৱাইটে তাইৰ লিখনিবোৰক বাইবেলৰ অংশ বুলি কেতিয়াও গণ্য নকৰিবলৈ যদিও ডাঠিকৈ জোৰদি কৈছিল, তথাপিও সেইবোৰ কিন্তু অনুপ্ৰাণিত বাক্য। এলিয়া, ইলীচা আৰু যোহন ডুবকৰ দৰে ঈশ্বৰৰ বহুতো মহান ভাৰবাদীসকল ঈশ্বৰীয় শক্তি সম্পন্ন আছিল, তথাপিও তেওঁবিলাকে বাইবেলৰ কোনো এখন পুস্তক লিখা নাছিল। ইলেন হুৱাইটৰ লিখনি সমুহক ডাঙৰ পোহৰ বাইবেলৰ ওচৰলৈ চলাই নিয়া এটা কম পোহৰ বুলি বৰ্ণনা হয়তো কৰিব পাৰি। এইবোৰে শাস্ত্ৰবাক্যৰ ওপৰত এটা অনুপ্ৰাণিত অৰ্থ ভাঙোঁতা হিচাপে কাম কৰে, কিন্তু তথাপিও বাইবেল খনেই সৰ্ব্বোচ্চ ক্ষমতাৰ অধিকাৰী থাকে।

### দ্বিতীয় পৰীক্ষা-যীচুৰ বিষয়ে সত্যতা শিকোৱা

দ্যা ডিজায়াৰ অফ এজেজ, খ্ৰাইষ্ট অবজেক্ট লেচন, ষ্টেপ তু খ্ৰাইষ্ট আৰু থত ফ্ৰম ড্যা মাউন্ট ব্লেচিং আদি ইলেন হুৱাইটৰ সকলোবোৰ কিতাপেই এই পৰীক্ষাটোত তাই উত্তীৰ্ণ হোৱা বুলি প্ৰমান কৰিছে। এই কিতাপবিলাকত তাই নিজকলৈ একো লিখা নাই, কিন্তু অবিৰতভাৱে আন সকলোৱেই দেখা পাব পৰাকৈ যীচুক আঙুলিয়াই দেখুওৱাইছে।

### তৃতীয় পৰীক্ষা-এটা ঈশ্বৰীয় জীৱন

ইলেন হুৱাইটৰ মৃত্যুত প্ৰেছ মেডিয়াই মন্তব্য দিওঁতে এইবুলি কৈছিল, মিচেচ. হুৱাইটৰ জীৱনক প্ৰশংসাৰে উপচাই পেলাবলৈ সকলোৱেই প্ৰতিযোগিতাত নমা কথাটোৰ দ্বাৰাই এইটো এটা উদাহৰণ হয় যে তাই কিমান প্ৰশংসাৰ পাত্ৰী ... তাই অতিশয় নম্ৰ, খ্ৰীষ্টৰ ভক্তিপৰায়না শিষ্যা আছিল আৰু সদায়েই ভাল কাম কৰি গৈছিল. মানৱজাতিটোৰ উন্নতি সাধন আৰু কল্যানৰ নিমিত্তে নিস্বাৰ্থপৰ পৰিশ্ৰম কৰিবলৈ নিজকে উৰ্চ্ছগা কৰা ভদ্ৰ মহিলাক সমাদৰ কৰা সকলো ব্যক্তিৰ দ্বাৰাই তাই মান সন্মান লাভ কৰিছিল। তাইৰ মৃত্যুৱে ধৰ্ম্মীয় চিন্তা-ধাৰাৰ আন এজনী লক্ষণীয় লিডাৰ আৰু সেই গৰাকী মহিলা যাৰ প্ৰায় ৯০টা বছৰেই ভাল কাম, মৰম ভৰা মাত-কথা, আৰু সকলো মানৱৰ নিমিত্তে কৰা প্ৰাৰ্থনাৰে পৰিপূৰ্ণ আছিল সেই কথা মনত পেলাই দিয়ে। [Star (St.Helena, California), July 23,1915.]।

## চতুৰ্থ পৰীক্ষা-সঠিক ভাৱবাণীবোৰ

ইলেন হুৱাইটৰ দ্বাৰাই কৰা কিছুমান ভৰিষ্যত ভাৱবানী অতি সহজেই ঘটিব পৰা বিধৰ। তলত দিয়া ভৱিষ্যবানীবোৰ যেন এই ৰাতিপুৱাটোৰ বাতৰি কাকতহে তেনে লাগে, কিন্তু এইবোৰ লিখা হৈছিল অতি আধুনিক ভ্ৰমণ কৰাৰ উপায় আৱিস্কাৰ হোৱাৰ বহু বহু আগতে। "ৰেল-গাড়ীৰ দ্বাৰাই হোৱা দুৰ্ঘোগ অধিক অধিক সঘনাই ঘটিব; ডাঙৰ ডাঙৰ ভ্ৰমণৰ প্ৰণালীবোৰত হুৱামুৰা, খুন্দা-খুন্দি, আৰু মৃত্যুৰ কিৰিলি সতৰ্ক নকৰাকৈয়ে নিমিষতে ঘটিব"। [Messages to Young People (Washington, DC: Review and Herald,1930),p, 90 (reprinted from the article in The Signs of the Times, April 21,1890]।

# পাঠ নং-২২

ইলেন হুৱাইট এনেকুৱা সময়ত জীৱন-ধাৰণ কৰিছিল যি সময়ত ডাক্তৰবিলাকে ধূমপান কৰাতো হাঁওফাওঁৰ বাবে উপকাৰী বুলি উকালতি কৰিছিল, কিন্তু কোনো বৈজ্ঞানিক তথ্য প্ৰমান উপলব্ধ নাছিল। পৰিপুষ্টি তেতিয়া অজান বিজ্ঞান আছিল। তথাপিও এনে সময়তে, ইলেন হুৱাইটে স্বাস্থ্য আৰু পৰিপুষ্টিৰ পথাৰখনত ডাঙৰ ডাঙৰ কিতাপ লিখি উলিয়াইছিল। ডাঃ ক্লিভ মেককে, কৰনেই ইউনিভাৰ্চিতিৰ পুৰিপুষ্টি বিভাগৰ প্ৰাক্তন প্ৰফেচাৰ, তেওঁ কৈছিল, "আধুনিক বৈজ্ঞানিক পুৰিপুষ্টি আৱিস্কাৰ হোৱাৰ বহু আগতেই এই পথাৰ খনৰ ওপৰত মিচেচ. হুৱাইটে লিখা স্বত্তেও, এয়াতকৈ উত্তম সকলো সাঙুৰি লোৱা উপদেশ বা বাট দেখুৱাওঁতা আজি আন এটা পাবলৈ নাই" [Clive McCay, "A Nutritional Authority Discusses Mrs. E.G.White, "Review and Herald, February 26,1959,p,10.]।

বাইবেলে ভৱিষ্যবানী কৰিছে যে অন্তিম দিনবিলাকত ভাৱবানীয় বৰবোৰ দেখা দিব। প্ৰমানবোৰে ঘোষণা কৰিছে যে এজন প্ৰকৃত ভাৱবাদীৰ বিষয়ে দিয়া বাইবেলৰ প্ৰতিটো বিশেষ লক্ষণ ইলেন হুৱাইটৰ গাত আছে। আমি আপোনাক উতসাহিত কৰিব খোজোঁ যে আপুনি তাইৰ কিছুমান লিখনি সংগ্ৰহ কৰি লওঁক আৰু পঢ়ক আৰু বাইবেলৰ আদেশটোক পালন কৰক, "ভাৱবানী হেয়জ্ঞান নকৰিবা। সকলো বিষয়ৰ পৰীক্ষা কৰি, যি ভাল তাকে ধৰি ৰাখা"। ১ম থিচলনীকীয়া ৫:২০, ২১।


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in**
ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE